# ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ

NATIONAL REGISTER OF CITIZENS

## উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে আবেদন জনাবলৈ প্ৰস্তুত হওক ...

*ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ আবেদনপত্ৰ বিতৰণ কৰাৰ আৰু সম্পূৰ্ণকৈ পূৰণ কৰা আবেদনপত্ৰ দাখিল কৰাৰ প্ৰক্ৰিয়া অনতিপলমে আৰম্ভ হৈ ইংৰাজী ৩১ জুলাই ২০১৫ লৈকে অব্যাহত থাকিব*

উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে দাখিল কৰিবলগীয়া আবেদনপত্ৰ সহজে পূৰাব পৰাকৈ আৱশ্যকীয় প্ৰস্তুতিমূলক ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিব। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত পৰিয়ালৰ সকলো সদস্যৰ নাম অন্তৰ্ভূক্ত হোৱাটো নিশ্চিত কৰিবলৈ আবেদনপত্ৰ পূৰোৱাৰ আগতে আবেদনপত্ৰৰ লগত নাম অন্তৰ্ভূক্তিৰ যোগ্যতাৰ প্ৰমাণস্বৰূপে সংলগ্ন কৰিবলগীয়া সকলোবোৰ প্ৰয়োজনীয় নথি-পত্ৰ গোটাই ল'ব।

### উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে দুই ধৰণৰ আৱশ্যকতা পূৰণ কৰিব লাগিব ঃ

**১** **প্ৰথমটো আৱশ্যকতা হ'ল এয়ে যে - আবেদনকাৰীয়ে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈকে প্ৰদান কৰা আৰু আবেদনকাৰীৰ নিজৰ নাইবা পূৰ্বপুৰুষৰ নাম নথিভূক্ত হৈ থকা তালিকা-'A' ত উল্লেখিত অনুমোদিত নথি সংগ্ৰহ / দাখিল কৰিব লাগিব (যাৰ সহায়ত ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) লৈকে অসমত বসতি স্থাপন কৰাটো প্ৰতীয়মান হয়)।**

**[ তালিকা-'A' ]**

| | | |
|---|---|---|
| (১) ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী **নাইবা,** | (৬) শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ **নাইবা,** | (১১) বেঙ্ক/ডাকঘৰৰ হিচাবৰ নথিপত্ৰ **নাইবা,** |
| (২) ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকা **নাইবা,** | (৭) পাৰপত্ৰ (পাছপোৰ্ট) **নাইবা,** | (১২) জন্মৰ প্ৰমাণপত্ৰ **নাইবা,** |
| (৩) ভূমিস্বত্বৰ/ৰায়তীস্বত্বৰ নথিপত্ৰ **নাইবা,** | (৮) ভাৰতীয় জীৱন বীমা নিগমৰ পলিচি **নাইবা,** | (১৩) বোৰ্ড/বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ **নাইবা,** |
| (৪) নাগৰিকত্বৰ প্ৰমাণপত্ৰ **নাইবা,** | (৯) চৰকাৰৰ দ্বাৰা প্ৰদত্ত অনুজ্ঞাপত্ৰ/প্ৰমাণপত্ৰ **নাইবা,** | (১৪) আদালতৰ নথি/আদালতৰ প্ৰক্ৰিয়াজনিত নথি |
| (৫) স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ **নাইবা,** | (১০) চৰকাৰী/ৰাজহুৱা খণ্ডৰ নিযুক্তি সম্পৰ্কীয় প্ৰমাণপত্ৰ **নাইবা,** | |

ইয়াৰ উপৰিও আৰু দুবিধ নথি (১) বিবাহসূত্ৰে স্থানান্তৰিত মহিলাসকলৰ সন্দৰ্ভত ৰাজহ চক্ৰ বিষয়া/গাওঁ পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ (১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ পূৰ্বে বা পিছৰ যিকোনো বছৰৰ হ'ব পাৰে) আৰু (২) ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ পূৰ্বে প্ৰদত্ত ৰেচন কাৰ্ড - সমৰ্থনমূলক নথিৰূপে দাখিল কৰিব পাৰিব। এই নথি দুবিধ ওপৰৰ চৈধ্য (১৪) বিধ নথিৰ ভিতৰৰ যিকোনো এবিধৰ সৈতে সংযোজিত হ'লেহে গ্ৰহণযোগ্য হ'ব।

**২** **দ্বিতীয় আৱশ্যকতাটো হ'ল এয়ে যে - যেতিয়া তালিকা-'A'ৰ যিকোনো এবিধ নথিত উল্লেখিত নাম আবেদনকাৰীৰ নিজৰ নহৈ তেওঁৰ পূৰ্বপুৰুষৰ, যেনে, পিতৃ বা মাতৃ বা ককা বা আইতা বা আজোককা বা আজোআইতা (ইত্যাদি) হ'ব, তেতিয়া আবেদনকাৰীয়ে তলত উল্লেখিত তালিকা-'B'ৰ যিকোনো এবিধ নথি দাখিল কৰিব লাগিব যাৰ দ্বাৰা তালিকা- 'A'ৰ নথিত নাম থকা আবেদনকাৰীৰ পূৰ্বজ, অৰ্থাৎ পিতৃ বা মাতৃ বা ককা বা আইতা বা আজোককা বা আজোআইতা আদিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপিত হয়। এই নথি-পত্ৰসমূহ বিধিসন্মত আৰু সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰা হ'ব লাগিব।**

**[ তালিকা-'B' ]**

| | | |
|---|---|---|
| (১) জন্মৰ প্ৰমাণপত্ৰ **নাইবা,** | (৪) বেঙ্ক/ভাৰতীয় জীৱন বীমা নিগম/ডাকঘৰৰ নথিপত্ৰ **নাইবা,** | (৭) ৰেচন কাৰ্ড **নাইবা,** |
| (২) মাটি-বাৰীৰ নথিপত্ৰ **নাইবা,** | (৫) চক্ৰ বিষয়া/গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ **নাইবা,** | (৮) অন্য যিকোনো বিধিসন্মত নথিপত্ৰ |
| (৩) বোৰ্ড/বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ **নাইবা,** | (৬) ভোটাৰ তালিকা **নাইবা,** | |

### মনত ৰাখিবলগীয়া কথা

- ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ যোগ্যতাৰ বাবে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈ যিকোনো সময়ত প্ৰদান কৰা ওপৰৰ তালিকা-'A'ত উল্লেখিত নথিসমূহৰ যিকোনো এটা দাখিল কৰিলেই পৰ্যাপ্ত হ'ব। কেৱল ১৯৬৬ চনৰ ভোটাৰ তালিকাহে গ্ৰহণযোগ্য হ'ব বুলি হোৱা অপপ্ৰচাৰ সম্পূৰ্ণ ভিত্তিহীন।
- ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকা যাক একেলগে লিগেচি ডাটা বুলি কোৱা হয়, উপলব্ধ অনুসাৰে, সমগ্ৰ ৰাজ্যৰে নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)সমূহত চৰকাৰে প্ৰকাশ কৰিছে। উক্ত নথিত নথিভূক্ত প্ৰত্যেকটো নামৰ বিপৰীতে লিগেচি ডাটা ক'ডযুক্ত বিনামূলীয়া 'প্ৰিন্টআউট' নাগৰিকপঞ্জী সেৱা কেন্দ্ৰসমূহৰ পৰা সংগ্ৰহ কৰিব পাৰে। এন আৰ চি ৱেবচাইট (www.nrcassam.nic.in)ৰ মাধ্যমেৰেও এই সুবিধা গ্ৰহণ কৰিব পাৰে।
- লিগেচি ডাটাত নাম নাপালেও তালিকা-'A'ৰ ৩ ৰ পৰা ১৪ নম্বৰ ক্ৰমিকলৈ উল্লেখিত অনুমোদিত নথিৰ যিকোনো এটাৰ তথ্য উল্লেখ কৰি আবেদনপত্ৰ দাখিল কৰিব পাৰে।
- বিবাহসূত্ৰে স্থানান্তৰিত মহিলাৰ সন্দৰ্ভত ৰাজহ চক্ৰ বিষয়া/গাওঁ পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ দাখিল কৰাটো ঐচ্ছিকহে, বাধ্যতামূলক নহয়। বিবাহিত মহিলাই সম্পৰ্কৰ যোগসূত্ৰ/পিতৃ-মাতৃৰ সৈতে সম্বন্ধ প্ৰমাণ কৰিবলৈ অন্যান্য বিধিসন্মত নথিও দাখিল কৰিব পাৰে।
- ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত বা ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈ প্ৰকাশিত ভোটাৰ তালিকাসমূহত নাম, বয়স আদি ভুলকৈ নথিভূক্ত হৈ থাকিলেও আবেদনকাৰীসকলে ক্ষেত্ৰ পৰ্যায়ৰ পৰীক্ষণৰ সময়ত উপযুক্ত ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ পৰ্যাপ্ত সুবিধা পাব। শপতনামা দাখিল কৰিলে গ্ৰহণ কৰা হ'ব যদিও তাৰ তথ্যপাতি পৰীক্ষা-নিৰীক্ষা কৰি পৰীক্ষণকাৰী বিষয়াই পোৱা ফলাফল সন্তোষজনক হ'লেহে শপতনামাত বিচৰা ধৰণে সংশোধনী কাৰ্য্যকৰী কৰা হ'ব।
- তালিকা-'B'ত উল্লেখিত নথিসমূহ, আবেদনকাৰীৰ দ্বাৰা তালিকা-'A'ৰ অন্তৰ্ভূক্ত নথি-পত্ৰৰ যিকোনো এটিত উল্লেখ কৰা ব্যক্তিজনৰ লগত তেওঁৰ সম্বন্ধ প্ৰমাণৰ বাবে ব্যৱহাৰ কৰিব লাগিব। তালিকা-'B'ত উল্লেখ কৰা নথি-পত্ৰসমূহ কেৱল সম্বন্ধ/যোগসূত্ৰ প্ৰতিপন্ন কৰাৰ বাবে সমৰ্থনমূলক নথিহে। সেয়েহে, তালিকা-'B'ত উল্লেখিত নথিবোৰৰ বৈধতা/গ্ৰাহ্যতা বিবেচনাৰ পূৰ্বচৰ্ত হিচাবে তালিকা-'A'ত থকা যিকোনো এবিধ বৈধ নথিৰ তথ্য দাখিল কৰিব লাগিব।
- দাখিল কৰা যিকোনো নথি, প্ৰদানকাৰী কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ সৈতে ৰিজাই চাই পৰীক্ষা কৰিব পৰা হ'ব লাগিব। তালিকা-'B'ত উল্লেখিত নথিবোৰৰ যিকোনো তাৰিখত প্ৰদান কৰা হ'ব পাৰে আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ তাৰিখৰ লগত ইয়াৰ কোনো প্ৰাসঙ্গিকতা নাই।

**এতিয়া নাগৰিকসকলক প্ৰয়োজনীয় সকলোবোৰ তথ্য সম্বলিত নথি-পত্ৰ সংগ্ৰহ কৰিবলৈ আৰু আবেদনপত্ৰ পূৰণৰ বাবে প্ৰস্তুত হ'বলৈ অনুৰোধ জনোৱা হ'ল।**

| | | | |
|---|---|---|---|
| বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ টোল ফ্ৰী/হেল্পলাইন নম্বৰ ১৫১০৭ (15107) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত। |

Exclusive/NRC/05-2015/14